# সবৰমতী আশ্ৰমৰ কথা...


মহাত্মা গান্ধীৰ জীৱন আৰু ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীৰ লগত জড়িত এটি গুৰুত্বপূৰ্ণ নাম হৈছে 'সবৰমতী আশ্ৰম'। মহাত্মা গান্ধীক 'সবৰমতীৰ সন্ত' বোলা হয় এই আশ্ৰমৰ নামেৰেই।

য'ত ধৰ্মপৰায়ণ, সৎ লোকে বাস কৰে তাকে আশ্ৰম বোলা হয়। মহাত্মাই নিজৰ আশ্ৰমৰ লোকসকল স্বাৱলম্বী হৈ উঠাটো বিচাৰিছিল। তেওঁলোকে কিবা নহয় কিবা এটা হাতৰ কাম ভালকৈ শিকাটো বাঞ্ছা কৰিছিল। তাত তেওঁৰ পৰিয়ালৰ সৈতে আন বহুতো সতীৰ্থ আৰু অনুগামীয়েও বাস কৰিছিল। সকলোৱে নিজৰ কাম নিজে নিজে কৰিছিল।

১৯১৪ চনত প্ৰায় ২১ বছৰৰ মূৰত দক্ষিণ আফ্ৰিকাৰ পৰা স্বদেশলৈ উভতি আহি ১৯১৫ চনৰ ২৫ মে' তাৰিখে মহাত্মাই আহমেদাবাদৰ কাষৰীয়া কোছৰাব গাঁৱৰ এক ভেৰোণীয়া গৃহত 'সত্যাগ্ৰহ আশ্ৰম' প্ৰতিষ্ঠা কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাত পতা তেওঁৰ আশ্ৰমৰ নাম আছিল টলষ্টয় পাম (Tolstoy Farm)। মহান ৰুছ দাৰ্শনিক সাহিত্যিক লিঅ' টলষ্টয়ৰ নামেৰে। কোছৰাবৰ এই 'সত্যাগ্ৰহ আশ্ৰম' আছিল 'সবৰমতী আশ্ৰম'ৰ মূল।

সত্যাগ্ৰহ আশ্ৰমৰ লোকসকলৰ লক্ষ্য আছিল সম্পূৰ্ণ স্ব-নিৰ্ভৰশীল হৈ উঠা। তাত সংস্কৃত ভাষা শিক্ষা, বাঢ়ৈৰ কাম, মুচিয়াৰৰ কাম, বোৱা-কটা আদিৰ শিক্ষা দিয়া হৈছিল। জাতি-ধৰ্মৰ কোনো বিভাজন নাছিল। মহিলা সকলো অলাগতিয়াল সামাজিক বাধা নিষেধৰ পৰা মুক্ত আছিল।

সময়ৰ লগে লগে আশ্ৰমবাসীৰ সংখ্যা বাঢ়ি গ'ল। ঠায়ে নটা হ'লত অনেক অসুবিধা হ'বলৈ ধৰিলে। তদুপৰি ১৯১৭ চনত কোছৰাবত প্লেগ মহামাৰীয়ে দেখা দিলত মহাত্মাই সেই ঠাই এৰি আহি আহমদাবাদ চহৰৰ দাঁতিৰ সবৰমতী নৈৰ পাৰৰ ১৬ একৰ (১ একৰ= ৪০৫০ বৰ্গ মিঃ) মাটি কিনি তাত আশ্ৰমখন নতুনকৈ পাতিলে। নৈখনৰ নামেৰে 'সবৰমতী আশ্ৰম' বুলি নাম থ'লে।



'সত্যাগ্ৰহ আশ্ৰম'ত মহাত্মাই আশ্ৰমৰ নিজা ফলবাৰী, পাম, গৰু-ম'হ আদিৰ অভাৱ অনুভৱ কৰিছিল। এতিয়া নতুন আশ্ৰমত সেই অভাৱসমূহ এতিয়া দূৰ কৰিব পৰা যাব বুলি তেওঁ আনন্দিত হৈছিল। সবৰমতী চেণ্ট্ৰেল জেইল আশ্ৰমৰ কাষতেই আছিল আৰু ই মহাত্মাক যথেষ্ট আকৰ্ষণ কৰিছিল। তেওঁৰ ভাষাত— 'সত্যাগ্ৰহীসকলৰ কাৰণে জেইললৈ যোৱাটো সাধাৰণ কথা বুলি মই এই ঠাইডোখৰ বাছিলোঁ। আৰু এটা কথা ভাবিছিলো যে জেইল সাজিবলৈ যিডোখৰ ঠাই লোৱা হয় তাৰ চাৰিওকাষ নিশ্চয় চাফ-চিকুণ।' (আত্মজীৱনী)

মহাত্মাৰ বন্ধুবৰ্গ আৰু শুভাকাংক্ষীসকলৰ সহায়-সহযোগিতাত সবৰমতী সোনকালেই এক পূৰ্ণাংগ আশ্ৰমত পৰিণত হ'ল। উদাহৰণস্বৰূপে, আশ্ৰমৰ স্থাৱৰ সম্পত্তিৰ মূল্য ৩,৫০,০০০ টকা আৰু অস্থাৱৰ সম্পত্তিৰ মূল্য আছিল ৩,০০,০০০ টকাৰো অধিক। আশ্ৰমৰ বৃহৎ পুথিভঁৰালটোৰেই মূল্য আছিল ৪০,০০০ টকা আৰু ইয়াত ১১০০০ৰো অধিক পুথি আছিল। আশ্ৰমৰ আছিল নিজা শইচৰ পথাৰ আৰু নিজা বাগিচা। আশ্ৰমৰ প্ৰয়োজনীয় খাদ্য শস্য আশ্ৰমবাসীয়ে নিজে উৎপন্ন কৰিছিল। তদুপৰি আশ্ৰমৰ আছিল নিজাকৈ গৰু-ম'হৰ খুঁটি। আশ্ৰমৰ সদস্যৰ দ্বাৰা উৎপাদিত খাদী বস্ত্ৰৰ ভঁৰালটোও আছিল যথেষ্ট বিশাল। আশ্ৰমৰ এই বিকাশৰ বিষয়ে মহাত্মাই কৈছিল যে 'মই আৰু আশ্ৰমৰ আন আন বাসিন্দাসকলৰ যোৱা ওঠৰ বছৰকালৰ অসীম ধৈৰ্য আৰু যত্নৰ ফল হৈছে এই আশ্ৰম। প্ৰতিটো গৰু-ম'হ আৰু প্ৰতিজোপা গছৰেই এক নিজা ইতিহাস আৰু আশ্ৰমৰ সৈতে আত্মাৰ অছেদ-অভেদ বান্ধোন আছে। সিহঁত প্ৰত্যেকেই এক বিশাল পৰিয়ালৰ সদস্য। অতীতৰ এই ছন পৰা মাটিটুকুৰাক এমুঠি মানুহৰ অসীম আয়াসে এখনি আটোমটোকাৰী উপৱনসদৃশ আশ্ৰমলৈ পৰিণত কৰিছে।'



আশ্ৰমৰ দৈনিক জীৱনযাত্ৰা আছিল শৃংখলাবদ্ধ আৰু সময়ানুৱৰ্তী। আশ্ৰমৰ প্ৰাত্যহিকীখন আছিল এনেধৰণৰ :

পুৱা ৪ বজা : শোৱাপাটী ত্যাগ
পুৱা ৪.১৫-৪.৪৫ : পুৱাৰ প্ৰাৰ্থনা
পুৱা ৫.০০-৬.১০ : স্নান, ব্যায়াম, অধ্যয়ন।
পুৱা ৬.১০-৬.৩০ : পুৱাৰ আহাৰ।
পুৱা ৬.৩০-৭.০০ : মহিলাৰ প্ৰাৰ্থনাৰ শ্ৰেণী।
পুৱা ৭.০০-১০.৩০ : শাৰীৰিক শ্ৰম, শিক্ষাদান আৰু স্বাস্থ্য ব্যৱস্থা।
পুৱা ১০.৪৫-১১.১৫ : আহাৰ গ্ৰহণ
পুৱা ১১.১৫-১২.০০ : জিৰণি।
দুপৰীয়া ১২.০০-৪.৩০ : শাৰীৰিক শ্ৰম, শ্ৰেণীত পাঠদান।
বিয়লি ৪.৩০-৫.৩০ : সন্ধ্যাহাৰ।
বিয়লি ৬.০০-৭.০০ : অৱসৰ বিনোদন।
বিয়লি ৭.০০-৭.৩০ : সমূহীয়া উপাসনা।
বিয়লি ৭.৩০-৯.০০ : অৱসৰ বিনোদন।
নিশা ৯.০০ : শোৱাপাটীলৈ যোৱাৰ ঘণ্টা (bell)।

কোনো পৰিস্থিতিতেই ওপৰৰ ৰুটিনখনৰ হেৰফেৰ নহৈছিল। পুৱা চাৰি বজা আৰু নিশা ন বজাত শোৱাপাটী এৰা আৰু শোৱাপাটীলৈ যোৱাৰ সংকেতৰূপে ঘণ্টা কোবোৱা হৈছিল। এবাৰৰ কথা। এদিন পুৱা ঘণ্টা কোবোৱা ল'ৰাজনে ঘণ্টা কোবোৱাত দহ মিনিট পলম কৰিলে। অসন্তুষ্ট মহাত্মাই তেওঁক মাতি নি বুজালে যে তেওঁৰ অসাৱধানতাৰ বাবে নষ্ট হোৱা সময়ৰ পৰিমাণ মাথোঁ দহ মিনিট নহয়, বৰঞ্চ ২০×১৫০ মিনিট (যিটো আশ্ৰমৰ সদস্য সংখ্যা)। তেওঁ ডেকা ল'ৰাজনক উপদেশ দিলে যে তেওঁ যাতে নিশা টোপনিত পৰাৰ আগতে পাচদিনা পুৱা সাৰ পাবলগীয়া সময়টো অন্তৰস্থ কৰি লয়, যাতে তেওঁৰ জৈৱিক ঘড়ীটো সঠিক অৱস্থানত থাকে।

আশ্ৰমৰ দৈনন্দিন আহাৰ আছিল অতি সৰল আৰু সাইজ। আশ্ৰমৰ অধিবাসীসকলে দৰিদ্ৰ জীৱন যাপন কৰিবলৈ ব্ৰত লৈছিল। তেনে জীৱন ভাৰতবৰ্ষৰ সাধাৰণ জনতাৰ জীৱন, আৰু খাদ্যৰ নামত বিলাসিতা সেয়ে নীতিবিৰুদ্ধ আছিল। ঘিউ গুজৰাটীসকলৰ খাদ্যৰ এক অপৰিহাৰ্য অংগ, কিন্তু আশ্ৰমৰ খাদ্যত ঘিউ ব্যৱহাৰ কৰা নহৈছিল। আশ্ৰমত দিনৌ প্ৰায় ২০০ জন খাওঁতাৰ বাবে ৰন্ধা-বঢ়া কৰা হৈছিল যদিও গাইপতি মাহিলী খৰচ ৬.৫০ টকাৰ বেছি হোৱা নাছিল। খাদ্য আছিল তেল, মছলা, জলকীয়াবিহীন, সিজোৱা শাক-পাচলি, ফল-মূল আদি। মহাত্মাই তেওঁৰ সমগ্ৰ জীৱন খাদ্যাভ্যাসৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে 'সোৱাদ বুজিব পৰা ইন্দ্ৰিয় জিভা নহয়, মনহে।'

প্ৰতিজন আশ্ৰমবাসীয়ে দিনৌ এক নিৰ্দিষ্ট পৰিমাণৰ সূতা যঁতৰত কাটি উলিয়াব লাগিছিল। কোনোবাই এই কামত গাফিলতি কৰিলে কৈফিয়ৎ দিব লাগিছিল আৰু পাচদিনা সেই ঘাটি পূৰাব লাগিছিল।

প্ৰাৰ্থনাৰ ক্ষেত্ৰতো নিয়ম আছিল যথেষ্ট কটকটীয়া। মহিলাৰ প্ৰাৰ্থনা শ্ৰেণী আৰু সমূহীয়া উপাসনা মহাত্মাই নিজৰ তত্বাৱধানত পৰিচালনা কৰিছিল। সমূহীয়া প্ৰাৰ্থনাথলীৰ বাঁহৰ জপনা তিনিখন নিৰ্দিষ্ট সময়ত জপোৱা হৈছিল আৰু প্ৰাৰ্থনা আৰম্ভ হোৱাৰ পূৰ্বে নাম-হাজিৰা লোৱা হৈছিল। নাম-হাজিৰাৰ সময়তে প্ৰতিজন আশ্ৰমবাসীৰে সেইদিনা কটা সূতাৰ পৰিমাণৰ জোখ লোৱা হৈছিল। কিন্তু এই প্ৰক্ৰিয়াই প্ৰায় আধাঘণ্টা সময় লৈছিল বাবে এজন আশ্ৰমবাসীৰ দিহামতে এক নতুন ব্যৱস্থা কৰা হয়। এই ব্যৱস্থামতে প্ৰতিজন আশ্ৰমবাসীক একোটাকৈ নম্বৰ দিয়া হ'ল আৰু সেইমতে তেওঁলোকৰ মাজত প্ৰৱেশদ্বাৰসমূহ ভগাই দিয়া হ'ল, যেনে : ১ৰ পৰা ৫০ লৈ লোকসকল প্ৰথম জপনাৰে, ৫১ৰ পৰা ১০০ লৈ তৃতীয় জপনাৰে আৰু মহিলাসকল তৃতীয় জপনাৰে প্ৰাৰ্থনা আৰম্ভ হোৱাৰ পাঁচ মিনিট পূৰ্বে প্ৰাৰ্থনাথলীত প্ৰৱেশ কৰিব। আকৌ প্ৰতিখন জপনাত থকা কৰ্মীয়ে এখন বহীত আশ্ৰমবাসীসকলৰ নামৰ বিপৰীতে তেওঁৰ দৈনিক সূতাৰ পৰিমাণ টুকি থ'ব। আশ্ৰমৰ বহুমূলীয়া সময় কিদৰে ৰাহি কৰা হৈছিল ই তাৰ এটা উদাহৰণহে মাত্ৰ।

সবৰমতী আশ্ৰমত মহাত্মা আৰু তেওঁৰ পত্নী কস্তুৰবায়ে বাস কৰা গৃহটিৰ নাম আছিল 'হৃদয়কুঞ্জ'। এই গৃহটি তেনেই সৰল, অনাড়ম্বৰ অথচ সুপৰিকল্পিতভাবে সজা। 'হৃদয়কুঞ্জ'ৰ নিচেই কাষতেই 'উপাসনা মন্দিৰ', অৰ্থাৎ সমূহীয়া উপাসনাৰ স্থান। চৌপাশে জোপোহা গুল্মৰে বেৰা এই ঠাইডোখৰক এজোপা ডাঙৰ গছে ছাঁ দি থাকে। আশ্ৰমৰ আন এটি বিখ্যাত গৃহ হৈছে 'মীৰা কুটীৰ'। এই পঁজা আছিল মহাত্মাৰ এগৰাকী অতিকৈ অনুগত শিষ্যা মীৰাবেনৰ। (ঘ পৃষ্ঠাত চাওক)

